# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-04-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

### *Headlines*

ooooo

১। গুৱাহাটী আৰু শিলচৰক সংযোগ কৰিবলগীয়া দ্ৰুত গতিসম্পন্ন কৰিড'ৰ নিৰ্মাণৰ প্ৰস্তাৱত কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন।

২। পৰহিলৈ হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে আজি প্ৰচাৰ অভিযানৰ সামৰণি।

৩। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা। কলা শাখাত ৮১ দশমিক ৩-২ শতাংশ, বিজ্ঞান শাখাত ৮৩ দশমিক ৯-৯ শতাংশ, বাণিজ্য শাখাত ৮২ দশমিক ৯-৩ শতাংশ উত্তীৰ্ণ।

৪। এই বছৰৰ পবিত্ৰ হজ যাত্ৰাৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ মুঠ ২ হাজাৰ ৭৮২ গৰাকী হজ যাত্ৰীৰ প্ৰথমটো দল ৩ মে'ত মক্কা আৰু মদিনা অভিমুখে যাত্ৰা।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই ছুপাৰ কিংছ, পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

কেন্দ্ৰীয় চৰকাৰে ২২ হাজাৰ ৮৬৪ কোটি টকা ব্যয়সাপেক্ষে মেঘালয়ৰ শ্বিলঙৰ সমীপৰ মাইলংখুঙৰ পৰা শিলচৰৰ ওচৰৰ পঞ্চগ্ৰামলৈ এটা দ্ৰুত গতিসম্পন্ন কৰিড'ৰ নিৰ্মাণৰ প্ৰস্তাৱত অনুমোদন জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত আজি নতুন দিল্লীত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ সিদ্ধান্তৰ বিষয়ে সাংবাদিকক অৱগত কৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই কথা সদৰি কৰে। তেওঁ কয় যে এই প্ৰকল্পই উত্তৰ পূৰ্বাঞ্চলৰ আমূল পৰিৱৰ্তন সাধন কৰিব। মন্ত্ৰীগৰাকীয়ে কয় যে এই পথটোৰ দৈৰ্ঘ্য ১৬৬ কিলোমিটাৰৰো অধিক হ'ব আৰু পথটোৱে ত্ৰিপুৰা, মিজোৰাম, মণিপুৰ আৰু বৰাক উপত্যকাৰ সৈতে যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰি তুলিব। আন্তঃগাঁথনি উন্নয়নৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ এই প্ৰকল্পটোৱে গুৱাহাটী, শ্বিলং আৰু শিলচৰৰ মাজত আন্তঃচহৰ যোগাযোগ ব্যৱস্থাৰ উন্নয়ন সাধন কৰিব আৰু ৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যান-জঁট হ্ৰাস কৰাত সহায় কৰিব।

বাইট (অশ্বিনী বৈষ্ণৱ)

কাম সম্পূৰ্ণ হৈ উঠাৰ পাছত এই প্ৰকল্পটোৱে অসম, মেঘালয়, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ আৰ্থ-সামাজিক উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শ্বিলং আৰু শিলচৰৰ মাজত কৰিড'ৰ নিৰ্মাণৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীসভাৰ শলাগ লৈছে।

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী শ্ৰীবৈষ্ণৱে লগতে চৰকাৰে আসন্ন লোকপিয়লত জাতিগত গণনা অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত লৈছে বুলি জানিবলৈ দিয়ে। তেওঁ কয় যে দেশৰ সামাজিক গাঁথনি যাতে বিঘ্নিত নহয় সেই কথা বিবেচনা কৰি জৰীপৰ পৰিৱৰ্তে লোকপিয়লত জাতিগত গণনা অন্তৰ্ভুক্ত কৰা উচিত। এনে গণনাই সমাজৰ আৰ্থ-সামাজিক পৰিকাঠামো সুদৃঢ় কৰিব আৰু ৰাষ্ট্ৰৰ প্ৰগতি অব্যাহত থাকিব বুলি শ্ৰীবৈষ্ণৱে উল্লেখ কৰে।

বাইট (অশ্বিনী বৈষ্ণৱ)

ooooo

পৰহিলৈ হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে আজি প্ৰচাৰ অভিযানৰ আজি বিয়লি ৩ বজাত সামৰণি পৰিছে। প্ৰথম পৰ্যায়ত তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ, মাজুলী, যোৰহাট, গোলাঘাট, ধেমাজি, লখিমপুৰ, শোণিতপুৰ, বিশ্বনাথ, কাছাৰ, হাইলাকান্দি আৰু শ্ৰীভূমি জিলাত ভোটগ্ৰহণ হ'ব।

মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি গোৱালপাৰাৰ ৰংজুলি সাৰাপাৰাত এন ডি এ মিত্ৰজোঁটৰ হৈ প্ৰচাৰ চলায়। তেওঁ আজি বৰপেটা জিলাৰ নগাঁও আৰু নলবাৰীৰ চামতাত আয়োজিত প্ৰচাৰ সভাত ভাগ লয়।

কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱালে আজি তিনিচুকীয়া জিলাৰ পানীতোলা গাঁৱত আৰু ডিব্ৰুগড় জিলাৰ মানকটা খেলপথাৰত নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লয়। জনসাধাৰণৰ সৰ্বাংগীণ উন্নয়নৰ বাবে পৰহিলৈ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোটদান কৰিবলৈ তেওঁ আহ্বান জনায়।

মন্ত্ৰী কেশৱ মহন্তই আজি সোণাই সমষ্টিৰ কচু দৰঙত প্ৰচাৰ কাৰ্যসূচীত অংশ লয়। একেদৰে মন্ত্ৰী ডা০ ৰণোজ পেগুৱে ধেমাজি বিধানসভা সমষ্টিৰ লটাক গাঁও পঞ্চায়ত প্ৰচাৰ চলায়।

ইপিনে, বিৰোধী দলৰ কেইবাগৰাকী নেতায়েও ৰাজ্যৰ বিভিন্ন প্ৰান্তত ব্যাপক প্ৰচাৰ চলায়। কংগ্ৰেছৰ দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই আজি হোজাই জিলাৰ বিনাকান্দিত আয়োজিত প্ৰচাৰ কাৰ্যসূচীত অংশ লয়। ইয়াৰ আগেয়ে তেওঁ বিহপুৰীয়াতো দলৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। দলৰ নেতা ৰিপুণ বৰা আৰু মীৰা বৰঠাকুৰেও আজি প্ৰচাৰ সভাত অংশ লৈ অন্তিমবাৰৰ বাবে ভোটদাতাক আকৰ্ষণৰ বাবে চেষ্টা চলায়। কংগ্ৰেছ দলৰ নেতা প্ৰদ্যুৎ বৰদলৈয়েও নগাঁৱত নিৰ্বাচনী প্ৰচাৰত অংশ লয়।

শিৱসাগৰ নগৰৰ সমীপৰ বেটবাৰীত আজি ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে দলটোৰ প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলায়।

ooooo

পঞ্চায়ত নিৰ্বাচনৰ পৰহিলৈ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে ১৪ খন জিলাতে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। **কাছাৰ** জিলাত হ'বলগীয়া ভোটগ্ৰহণৰ বাবে জিলাখনৰ বিভিন্ন ভোট কেন্দ্ৰত নিয়োজিত বহু বিষয়ববীয়া আজিয়ে কেন্দ্ৰলৈ ৰাওনা হৈছে। শিলচৰৰ আই এছ বি টি আৰু আই এছ টি টিৰ পৰা আজি ভোটগ্ৰহণৰ বিভিন্ন সা-সামগ্ৰী চমজি লৈ নিজ নিজ ভোটকেন্দ্ৰলৈ ৰাওনা হয়। জিলাখনৰ ৭টা বিধানসভা সমষ্টিৰ ২৫টা জিলা পৰিষদ সমষ্টিত এহেজাৰ ৭০৬টা ভোটকেন্দ্ৰ আছে। ইয়াৰে ২৭৪টা ভোটকেন্দ্ৰ মহিলাৰ দ্বাৰা পৰিচালিত হ'ব।

**শ্ৰীভূমিৰ** পঞ্চায়ত নিৰ্বাচনৰ বেলট বাকচ ৰখাৰ বাবে কৰিমগঞ্জ মহাবিদ্যালয়ত ষ্ট্ৰং ৰুমৰ ব্যৱস্থা কৰা হৈছে। ষ্ট্ৰং ৰুমৰ কাষতে ভোটগণনা কক্ষৰো ব্যৱস্থা কৰা হৈছে। বৰ্তমান জিলা আয়ুক্তৰ কাৰ্যালয়ত ২৪ ঘণ্টাই খোলা থকা নিয়ন্ত্ৰণ কক্ষটো ৩ মে'ৰ পুৱা ষ্ট্ৰং ৰুমৰ কাষলৈ স্থানান্তৰ কৰা হ'ব।

ইপিনে দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনত নগাঁও জিলাত নিৰ্বাচনী কৰ্তব্যত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলক তেওঁলোকৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰাৰ সুবিধাৰ বাবে নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত ডাক বেলট পেপাৰ কোষৰ স্থাপন কৰা হৈছে। ডাক বেলট পেপাৰৰ জৰিয়তে নিজৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰিব বিচৰা বিষয়া-কৰ্মচাৰীসকলে ২ আৰু ৩ মে'ৰ পুৱা ১০ বজাৰ পৰা বিয়লি ৪ বজাৰ ভিতৰত ভোটদান কৰিব পাৰিব।

অহা ৭ মে'ত মানকাচৰৰ ৩৫ খনকৈ গাঁও পঞ্চায়তৰ ৪০৬টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ কৰা হ'ব। ভোটগ্ৰহণৰ বাবে হাটশিঙিমাৰী জিলা প্ৰশাসনে ইতিমধ্যে বিষয়াসকলক দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰিছে। ১১ মে'ত হ'বলগীয়া ভোটগণনাৰ বাবে কালিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে ৫৪০ গৰাকী ভোটগণনাকাৰী বিষয়াক প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ দিয়া হয়।

ooooo

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ আটাইকেইটা শাখাৰ ফলাফল আজি ঘোষণা কৰা হয়। এইবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কলা শাখাত উত্তীৰ্ণৰ হাৰ ৮১ দশমিক ৩-২ শতাংশ,

বিজ্ঞান শাখাত ৮৩ দশমিক ৯-৯ শতাংশ, বাণিজ্য শাখাত ৮২ দশমিক ৯-৩ শতাংশ আৰু বৃত্তিগত শাখাত উত্তীৰ্ণৰ হাৰ ৬৮ দশমিক ৮-৪ শতাংশ। কলা শাখাত অৱতীৰ্ণ ২ লাখ ২৬ হাজাৰ ৭৫৬ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ৪৯ গৰাকী ৫৭৭ গৰাকী প্ৰথম, ৮০ হাজাৰ ৬৫০ গৰাকী দ্বিতীয় আৰু ৫৩ হাজাৰ ৫১৮ গৰাকী শিক্ষাৰ্থী তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে।

একেদৰে বিজ্ঞান শাখাত অৱতীৰ্ণ ৫৬ হাজাৰ ৯০৯ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ২৫ হাজাৰ ৮২৭ গৰাকী প্ৰথম, ১৯ হাজাৰ ২৮৬ গৰাকী দ্বিতীয় আৰু ৩ হাজাৰ ১৯৬ গৰাকী শিক্ষাৰ্থী তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে।

বাণিজ্য শাখাত অৱতীৰ্ণ ১৭ হাজাৰ ৭৪৬ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ছহেজাৰ ৫১৯ গৰাকী প্ৰথম, ৫ হাজাৰ ৭৬০ গৰাকী দ্বিতীয় আৰু দুহেজাৰ ৩০৫ গৰাকী শিক্ষাৰ্থী তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে।

ঘোষিত ফলাফল অনুসৰি এইবেলি তিনিওটা শাখাতে উত্তীৰ্ণৰ হাৰ ২০২৪ বৰ্ষৰ তুলনাত কিছু হ্ৰাস পাইছে।

ফলাফল প্ৰকাশৰ পাছতে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ সচিব নৰনাৰায়ণ নাথে বামুণীমৈদামৰ কাৰ্যালয়ত এখন সংবাদমেল সম্বোধন কৰি পৰীক্ষা হৈ যোৱাৰ ৪৪ দিনৰ ভিতৰত ফলাফল ঘোষণা কৰা হৈছে বুলি প্ৰকাশ কৰে। ফলাফল ঘোষণাৰ পাছতে পৰীক্ষাৰ্থীসকলে ই-মাৰ্কশ্বিট ডাউনল'ড কৰিব পৰাকৈ উপলব্ধ হৈছে। উচ্চ শিক্ষা গ্ৰহণত সহায়ক হোৱাকৈ পৰীক্ষাৰ ফলাফলৰ তথ্যসমূহ ডিজি লকাৰলৈ প্ৰেৰণ কৰা হ'ব বুলি সচিবগৰাকীয়ে প্ৰকাশ কৰে। লগতে সচিবগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি পূৰ্বতে প্ৰমাণপত্ৰ আৰু মাৰ্কশ্বিট সুকীয়াকৈ প্ৰদান কৰাৰ বিপৰীতে এইবাৰ মাৰ্কশ্বিট আৰু উত্তীৰ্ণৰ প্ৰমাণপত্ৰ একেখন হ'ব। বাহিৰত অধ্যয়নৰ বাবে দুখনকৈ নথি আপল'ড কৰাত অসুবিধাৰ হোৱাৰ প্ৰতি লক্ষ্য ৰাখি এই ব্যৱস্থা কৰা হৈছে সচিব নৰনাৰায়ণে প্ৰকাশ কৰে। ফলাফল ঘোষণাৰ দুদিন পাছত বহী পুনৰীক্ষণৰ বাবে প'ৰ্টেল মুকলি কৰা হ'ব। এই সন্দৰ্ভত সচিব নাথে কয়, যে পৰীক্ষাৰ ফলাফলত অসন্তুষ্ট হোৱা পৰীক্ষাৰ্থীসকলে বহী পুনৰীক্ষণৰ বাবে এই প'ৰ্টেলযোগে আবেদন কৰিব পাৰিব। বহী পুনৰীক্ষণৰ বাবে কোনো পৰীক্ষাৰ্থী পৰিষদৰ কাৰ্যালয়লৈ যোৱা প্ৰয়োজন নাই। সংশ্লিষ্ট পৰীক্ষাৰ্থীয়ে বিচাৰিলে পৰীক্ষাৰ্থীগৰাকীৰ ই-মেইলত বহীৰ স্কেন কপিও প্ৰদান কৰা হ'ব।

০০০০০

উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণাৰ পাছতে গোগামুখত শিক্ষা মন্ত্ৰী ডা০ ৰণোজ পেগুৱে এখন সংবাদমেল সম্বোধন কৰি পৰীক্ষাত সফলতা অৰ্জন কৰা সকলো শিক্ষাৰ্থীকে অভিনন্দন জনায়। লগতে সফল নোহোৱা পৰীক্ষাৰ্থীসকলকো নিৰাশ নহৈ পুনৰ প্ৰস্তুতি চলাবলৈ আহ্বান জনায়। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে পৰীক্ষা অনুষ্ঠিত কৰাৰ ৪৪ দিনৰ ভিতৰতে সুকলমে ফলাফল ঘোষণা কৰাৰ বাবে শিক্ষা মন্ত্ৰীগৰাকীয়ে পৰিষদকো ধন্যবাদ জনায়।

**--বাইট --**

০০০০০০

অসম, নাগালেণ্ড, মেঘালয়, মিজোৰাম, অৰুণাচল প্ৰদেশ আৰু ছিকিমৰ যুটীয়া ৰাজ্যিক হজ সমিতিয়ে উত্তৰ-পূৰ্বাঞ্চলৰ হজ যাত্ৰী সকলক মদিনালৈ পঠিয়াবলৈ সাজু হৈছে। হজ সমিতিৰ অধ্যক্ষ নেকিবুৰ জামানে আজি গুৱাহাটীৰ হাজি মুছাফিৰখানাত এখন সংবাদমেল আয়োজন কৰি ৩ মে'ৰ পৰা ৮ মে'লৈ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ পৰা ২ হাজাৰ ৭৮২ গৰাকী হজ যাত্ৰী মক্কা আৰু মদিনালৈ ৰাওনা হ'ব বুলি প্ৰকাশ কৰে। ইয়াৰে এহেজাৰ ৯২৭ গৰাকী পুৰুষ হজ যাত্ৰী আৰু ৮৫৫ গৰাকী মহিলা যাত্ৰী। অধ্যক্ষ জামানে প্ৰকাশ কৰা অনুসৰি হজ যাত্ৰাৰ বাবে ৩ মে'ত প্ৰথমটো দলে গুৱাহাটী বিমান বন্দৰৰ পৰা যাত্ৰা কৰিব। প্ৰতিদিনে এখনকৈ বিমানত ৩২১ গৰাকীকৈ যাত্ৰী ৰাওনা হ'ব। অসমৰ দুহেজাৰ ৭৪২ জন, মেঘালয়ৰ ২৬ জন আৰু মিজোৰামৰ পৰা এজন হজ যাত্ৰী মদিনালৈ যাব।

০০০০০

গুৱাহাটী বাৰ এছ'চিয়েচনৰ সদস্য পদৰ পৰা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পদত্যাগ কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই আজি বাৰ এছ'চিয়েচনৰ সভাপতিলৈ তেওঁৰ পদত্যাগ পত্ৰ প্ৰেৰণ কৰে। গুৱাহাটী উচ্চ ন্যায়ালয় উত্তৰ গুৱাহাটীৰ ৰংমহললৈ স্থানান্তৰৰ প্ৰক্ৰিয়াক লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কৰ্তৃপক্ষ আৰু ৰাজ্য চৰকাৰৰ সিদ্ধান্তৰ সৈতে বাৰ এছ'চিয়েচনৰ মত বিৰোধৰ সৃষ্টি

হৈছিল। বাৰ এছ'চিয়েচনৰ সিদ্ধান্তৰ সৈতে একমত হ'ব নোৱাৰা বাবেই মুখ্যমন্ত্ৰী শৰ্মাই এছ'চিয়েচনৰ সদস্য পদ ত্যাগ কৰে। স্বাৰ্থৰ সৈতে সংঘাতৰ বাবে নহয় বৰঞ্চ ন্যায়িক সংস্থা আৰু আইন ব্যৱস্থা তথা নতুন প্ৰজন্মৰ অধিবক্তাসকলৰ ভৱিষ্যতৰ স্বাৰ্থত তেওঁ বাৰ এছ'চিয়েচনৰ পৰা পদত্যাগ কৰা বুলি পত্ৰখনত উল্লেখ কৰিছে। একেখন পত্ৰতে মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পূৰ্ণকালীন আদালতৰ বৈঠকৰ অনুমোদন মৰ্মে ৰাজ্য চৰকাৰে প্ৰায় এহেজাৰ কোটি টকা ব্যয় সাপেক্ষে উত্তৰ গুৱাহাটীৰ ৰংমহললৈ গুৱাহাটী উচ্চ ন্যায়ালয় স্থানান্তৰৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। বৰ্তমানৰ উচ্চ ন্যায়ালয়ৰ ভৱনটো পূৰ্ণ পৰ্যায়ৰ ন্যায়িক সংগ্ৰহালয় হিচাপে গঢ়ি তোলা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে একেখন পত্ৰতে উল্লেখ কৰিছে।

ooooo

অসম চৰকাৰৰ উদ্যোগত বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ ৩৫ সংখ্যক মৃত্যুবাৰ্ষিকী উপলক্ষে কাইলৈ নতুন দিল্লীত হ'বলগীয়া এটা অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰিব আৰু এম চি ডি পাৰ্কত এখন ৰাজহুৱা সভাত ভাগ ল'ব। তেওঁ লগতে বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ নামেৰে এটা পথৰ নামকৰণ কৰিব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই বিশেষ অতিথি হিচাপে ভাগ ল'ব। বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো আৰু দিল্লীৰ মেয়ৰ ৰাজা ইকবাল সিং অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। ইপিনে, বডোফাৰ স্মৃতিত এবছুৰে কাইলৈ বিয়লি চাৰে ৫ বজাত বিটিআৰকে ধৰি ৰাজ্যৰ প্ৰতিঘৰ আৰু ৰাজহুৱা স্থানত ৫ লাখ মাটিৰ চাকি আৰু মমবাতি জ্বলোৱাৰ সিদ্ধান্ত লৈছে।

ooooo

সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু বটদ্ৰৱাৰ বিধায়িকা শিৱামণি বৰাক আক্ৰমণৰ ঘটনাৰ মূল অভিযুক্ত ইমদাদুল ইছলাম নামৰ লোকজনক আজি আৰক্ষীয়ে কৰায়ত্ত কৰিছে। নগাঁও আৰক্ষীৰ এটা দলে অভিযান চলাই লোকজনক কৰায়ত্ত কৰে। এই লোকজনৰ সৈতে লাহৰীঘাটৰ আন কেইবাজনো লোক জড়িত থকা বুলি আৰক্ষীয়ে সন্দেহ কৰিছে।

উল্লেখযোগ্য যে পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযান চলি থকাৰ মাজতে ২৭ এপ্ৰিলত নগাঁও জিলাৰ ধিঙৰ ওপৰ ডুমডুমীয়াত সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু বিধায়িকা শিৱামণি বৰাৰ ওপৰত একাংশ দুৰ্বৃত্তই আক্ৰমণ সংঘটিত কৰিছিল।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। পাঞ্জাব কিংছ বৰ্তমানলৈকে ৯খন খেলৰ পৰা ১১ পইণ্ট লাভ কৰি পইণ্ট তালিকাৰ পঞ্চম স্থানত আছে। চেন্নাই ছুপাৰ কিংছ ৯খন খেলৰ পৰা ৪ পইণ্ট লাভ কৰি তালিকাৰ একেবাৰে শেষত আছে। ইপিনে, যোৱা নিশা নতুন দিল্লীত অনুষ্ঠিত এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে দেলহী কেপিটেলছক ১৪ ৰানত পৰাস্ত কৰে।

ooooo

সমাপ্ত